# অসম আদিত্য

৮ পুহ, ১৯৪৬ শক ■ সোমবাৰ, ১৩ জানুৱাৰী, ২০২৫ ■ Asom Aditya, Dibrugarh, Monday, January 13, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি




## মেজিৰ

■ নগেন শ

যেতিয়াই মাঘ বিহুৰ মেজি
মনলৈ আহে তেতিয়াই সন্
সন্দেহে মনটো আচ্ছন্ন কৰি থ
হয় অসমৰ থলুৱা মানুহে 
মেজিৰ জুই ফুৰাব পাৰিব আ

কাইলৈ জাতিয়ে ল'ব সমন্ব

# আজি ভোগ



ষ্টাফ ৰিপ
কুঁৱলীৰ
পৰ্যন্ত
চাদৰ
দিনমণিৰ

বি

ছত মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়া

## 'শিল্পী দিৱস'ৰ আয়োজন

**ডিব্ৰুগড়, ১২ জানুৱাৰী ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ সমাজশাস্ত্ৰ বিভাগ আৰু সাংস্কৃতিক মহাসভা, অসমৰ ডিব্ৰুগড় সদৰ আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত অহা ১৭ জানুৱাৰী তাৰিখে কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ মৃত্যুতিথি উপলক্ষত 'শিল্পী দিৱস'ৰ আয়োজন কৰা হৈছে। সন্ধিয়া ৩ বজাৰ পৰা আৰম্ভ হ'বলগীয়া অনুষ্ঠানটিত অগ্নিযুগৰ ফিৰিঙতি, সুন্দৰৰ পূজাৰী আগৰৱালাদেৱৰ গীত-মাত-কবিতাৰে জীপাল কৰি তোলা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। প্ৰণিধানযোগ্য যে অলপতে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, সমাজশাস্ত্ৰ বিভাগৰ হৈ ফাৰহিন আহমেদ আৰু সাংস্কৃতিক মহাসভাৰ হৈ যুটীয়া সম্পাদক চন্দনজ্যোতি কলিতা প্ৰমুখ্যে আন ভালেসংখ্যক লোকৰ উপস্থিতিত হোৱা আলোচনা মৰ্মে এইবাৰৰ 'শিল্পী দিৱস' যৌথভাৱে আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অনুষ্ঠানৰ সকলো কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি আয়োজকসকলে কামনা কৰিছে।

## খেতি চপাই ভঁৰাল উপচাই বিহুলৈ সাজু ঃ

# প্ৰান্তে প্ৰান্তে তে

**নগৰ প্ৰতিবেদক, ১২ জানুৱাৰী ঃ** অসমীয়া হেঁপাহৰ ভোগালী বিহুলৈ মাজত মাত্ৰ কেইঘণ্টামান। হেঁপাহৰ ভোগালীক আদৰিবলৈ কঁকালত টঙালী বান্ধিছে অসমীয়াই। গাঁৱে-ভূঞে এতিয়া ব্যস্ততাৰ অন্ত নাই। ৰাজ্যত এতিয়া ভোগালীৰ উছাহ। ৰাজ্যবাসীয়ে ভোগৰ উৎসৱ ভোগালী অৰ্থাৎ মাঘ বিহু আয়োজনৰ বাবে চলাইছে আয়োজন। ৰাজ্য ভিন্ন প্ৰান্তৰ লগতে ডিব্ৰুগড় জিলাৰ লাহোৱাল উন্নয় খণ্ড অন্তৰ্গত বকুল কাঠগাঁৱৰ ৰাইজে ভোগালীক আদৰাৰ বাবে চলাইছে ব্যাপক প্ৰস্তুতি। গাত তৰণি নাই প্ৰতিগৰাকী চহা অসমীয়াৰ ডেকা, গাভৰু, বোৱাৰীসকলৰ। ডেকাসকল ব্যস্ত হৈ পৰিছে ভেলাঘৰ নিৰ্মাণত। জীয়ৰী-বোৱাৰীসকলে চিৰা, পিঠা বনোৱাত ব্যস্তৰ মাজতে বিহুনামৰ আখৰা কৰি আনন্দত মতলীয়া হৈ পৰিছে আৰু হাঁহে-মাহে এসাজ খোৱা লগতে মাঘবিহু উৰুকা নিশাৰ আমন্ত্ৰিত শিল্পী আকাশ নিবিড় আৰু কাবেৰী বৰপাত্ৰ গোহাঁইৰ সংগীতানুষ্ঠানো আয়োজন কৰিছে। বিহুপ্ৰেমী ৰাইজৰ উপস্থিতিৰ কামনা কৰিছে উদ্যোক্তাসকলে। **মোহনবাৰীত ভোগালি উৎসৱৰ প্ৰস্তুতি, প্ৰতিবেদক, মোহনবাৰী ঃ** বিভিন্ন প্ৰান্তৰৰ লগতে মোহনবাৰীতো ৰাইজে ভেলাঘৰ সাজি, মেজিৰ খৰি কাটি, ঘৰে ঘৰে তিল পিঠা, ঘিলা পিঠা, চিৰা-সান্দহ খুন্দি ভোগৰ উৎসৱলৈ বুলি সাজু হৈছে। মোহনবাৰীৰ মৈদুমীয়া গাঁৱত ধানৰ নৰাৰে আটকধুনীয়াকৈ নৌকা আকৃতিৰ ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে আমন্ত্ৰিত শিল্পীৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰিছে। আনহাতে, কোনো কোনো ঠাইত সকলোৰে মিলি এসাজ তৃপ্তিৰে খোৱাৰ পৰিকল্পনা কৰাৰো খবৰ পোৱা গৈছে। ইফালে সৰুপথাৰ

## পূৰ্বজ্যোতি একাডেমীত বিদায় স